# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আৰু কাইলৈ ওড়িশাৰ ভূবনেশ্বৰত আয়োজিত আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহাপৰিদৰ্শকসকলৰ সৰ্বভাৰতীয় সন্মিলনত অংশগ্ৰহণ কৰিব।

২। চৰকাৰে কৈছে যে, আয়ুষ্মান ভাৰত-প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত ২৫ নৱেম্বৰ পৰ্যন্ত দেশৰ ৭০ বছৰ আৰু ইয়াৰ উৰ্ধৰ প্ৰায় ১৪ লাখ জ্যেষ্ঠ নাগৰিকক আয়ুষ্মান ভে বন্দনা কাৰ্ড প্ৰদান কৰা হৈছে।

৩। কেন্দ্ৰীয় চৰকাৰ আৰু এছিয়ান ডেভলপমেণ্ট বেংকে উদ্যান শস্যৰ সৈতে জড়িত খেতিয়কসকলৰ বাবে ঋণ বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিছে।

৪। কেন্দ্ৰীয় চৰকাৰে কয়, যে গোলকীয় টীকাকৰণ কাৰ্যসূচী চমুকৈ ইউ আই পিৰ অধীনত প্ৰায় ৭ কোটি ৪৩ লাখ হিতাধিকাৰীয়ে পঞ্জীয়ন কৰিছে।

*আৰু*

৫। ডুবাইত হ'বলগীয়া ১৯ বছৰ অনুৰ্ধৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ প্ৰথমখন খেলত আজি ভাৰতে পাকিস্তানৰ বিৰুদ্ধে খেলিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আৰু কাইলৈ ওড়িশাৰ ভূবনেশ্বৰত আয়োজিত আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহাপৰিদৰ্শকসকলৰ সৰ্বভাৰতীয় সন্মিলনত অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি তিনিদিনীয়া এই সন্মিলন উদ্বোধন কৰে। ৰাষ্ট্ৰীয় সুৰক্ষাৰ সৈতে জড়িত বিষয়সমূহ আলোচনা কৰাৰ বাবে দেশৰ শীৰ্ষ আৰক্ষী বিষয়া আৰু ৰাষ্ট্ৰৰ সুৰক্ষাত নিয়োজিত বিষয়াসকলৰ এখন মঞ্চ প্ৰদান কৰাৰ বাবেই এই সন্মিলনৰ আয়োজন কৰা হৈছে। সন্মিলনত সন্ত্ৰাসবাদ বিৰোধী, বাওপন্থী উগ্ৰবাদ, উপকূলীয় নিৰাপত্তা, নতুন ফৌজদাৰী আইন আদি বিষয়সমূহ সন্দৰ্ভত আলোচনা কৰা হ'ব। এই সন্মিলনতেই বিশিষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতি আৰক্ষী প্ৰদকো প্ৰদান কৰা হ'ব।

প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰকাশ কৰা মতে, শ্ৰীমোদীয়ে সদায়েই এই সন্মিলনৰ বাবে আগ্ৰহ প্ৰকাশ কৰি আহিছে। ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল আৰু প্ৰধানমন্ত্ৰীৰ প্ৰধান সচিব পি কে মিশ্ৰৰ লগতে অন্যান্য প্ৰতিনিধিসকলে এই সন্মিলনত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনিদিনীয়া ওড়িশা ভ্ৰমণসূচীৰে কালি সন্ধিয়া ভূবনেশ্বৰ উপস্থিত হয়। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত এখন জনসভাক সম্বোধন কৰে। তেওঁ লগতে বিমান বন্দৰৰ পৰা ৰাজভৱনলৈ আয়োজিত এটা ৰোড শ্বতো ভাগ লয়।

ইয়াৰ পাছত শ্ৰীমোদীয়ে দলৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ত বিজেপিৰ সাংসদ আৰু বিধায়কসকলৰ সৈতে মত বিনিময় কৰে। এই মত বিনিময় কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান, অশ্বিনী বৈষ্ণৱ, ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিৰ লগতে দলৰ অন্যান্য জ্যেষ্ঠ নেতাসকলো উপস্থিত থাকে।

ooooo

কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কয়, যে বস্ত্ৰ উদ্যোগত মহিলাৰ অংশগ্ৰহণ উল্লেখনীয়ভাৱে বৃদ্ধি হৈছে। নতুন দিল্লীত কালি এখন সংবাদমেলক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰৰ সমৰ্থ আঁচনিৰ অধীনত ৩ লাখ ৬০ হাজাৰ মহিলা হিতাধিকাৰী লাভান্বিত হৈছে। বস্ত্ৰ উদ্যোগৰ সহযোগত এই আঁচনিখনৰ জৰিয়তে নিয়োগৰ সুবিধা বৃদ্ধিৰ লগতে দক্ষতা বিকাশৰ লক্ষ্য লোৱা হৈছে বুলিও শ্ৰীমাৰ্ঘেৰিটাই প্ৰকাশ কৰে। বস্ত্ৰ মন্ত্ৰালয়ৰ অধীনত থকা মুঠ হিতাধিকাৰীসকলৰ মাজৰ ৮৮ শতাংশই মহিলা বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে কৃষিৰ পাছতে বস্ত্ৰ উদ্যোগ হৈছে দ্বিতীয় সৰ্ববৃহৎ নিয়োগ ক্ষেত্ৰ। বৰ্তমান বস্ত্ৰ খণ্ডত ৪ কোটি ৫০ লাখ লোক জড়িত হৈ আছে আৰু ২০৩০ চনৰ ভিতৰত এই সংখ্যা ১০ কোটিলৈ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। শেহতীয়াকৈ মুকলি কৰা প্ৰধানমন্ত্ৰী ইণ্টাৰ্ণশ্বিপ আঁচনিৰ কথা উল্লেখ কৰি মন্ত্ৰী শ্ৰীমাৰ্ঘেৰিটাই কয়, যে ২ লাখ কোটি পুঁজিৰে আৰম্ভ কৰা এই আঁচনিৰ জৰিয়তে ১ কোটি যুৱক-যুৱতীক ইণ্টাৰ্ণশ্বিপৰ সুবিধা দিয়াৰ লক্ষ্য লোৱা হৈছে। সমাজৰ সকলো স্তৰৰ ব্যক্তিকে মূল সুঁতিলৈ আনি তেওঁলোকৰ সৱলিকৰণৰ হকে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ক্ষেত্ৰতো মন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে।

ooooo

চৰকাৰে কৈছে যে, আয়ুষ্মান ভাৰত-প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত ২৫ নৱেম্বৰ পৰ্যন্ত দেশৰ ৭০ বছৰ আৰু ইয়াৰ উৰ্ধৰ প্ৰায় ১৪ লাখ জ্যেষ্ঠ নাগৰিকক আয়ুষ্মান ভে বন্দনা কাৰ্ড প্ৰদান কৰা হৈছে। লোকসভাত এটা লিখিত প্ৰশ্নোত্তোৰত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্যমন্ত্ৰী প্ৰতাপ ৰাও যাধৱে কয়, যে এই আঁচনিখনে বৰ্তমান ৭০ বছৰ আৰু ইয়াৰ উৰ্ধৰ নাগৰিকসকলক প্ৰতি বছৰে ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া স্বাস্থ্য সুবিধা প্ৰদান কৰিছে। আঁচনিখনে প্ৰায় ৬ কোটি লোকক সামৰি আনুমানিক চাৰে ৪ কোটি হিতাধিকাৰী পৰিয়ালৰ বাবে এই সুবিধা প্ৰদান কৰিছে। তেওঁ লগতে কয়, যে এই আঁচনিৰ অধীনত দেশৰ ভিন্ন প্ৰান্তৰ ১৩ হাজাৰ ১৭৩ খন ব্যক্তিগত চিকিৎসালয়কে ধৰি ২৯ হাজাৰ ৮৭০ খন চিকিৎসালয়ক অন্তৰ্ভুক্ত কৰা হৈছে।

ooooo

কেন্দ্ৰীয় পৰ্যটন আৰু সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে কয়, যে উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত অহা বছৰৰ প্ৰথম ভাগতেই গোলকীয় একতাৰ প্ৰতীক স্বৰূপ মহাকুম্ভ মেলা অনুষ্ঠিত হ'ব। মন্ত্ৰীগৰাকীয়ে কালি এই মেলাৰ প্ৰাক্ কাৰ্যসূচী মুকলি কৰি কয়, যে মহাকুম্ভ মেলা হৈছে সংস্কৃতি, কলা আৰু কাৰুশিল্পৰ আদান-প্ৰদানৰ এটা গুৰুত্বপূৰ্ণ কাৰ্যসূচী। তেওঁ কয়, যে এই মেলাই দেশৰ সংস্কৃতিৰ বিবিধতাক উদযাপন কৰে আৰু লোকসকলক থকা খোৱাৰ উন্নত সুবিধা, পৰিবহণ আৰু দেশ-বিদেশৰ পৰ্যটকসকলক পৰ্যাপ্ত সুবিধা প্ৰদানৰ বাবে চৰকাৰ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ।

ooooo

কেন্দ্ৰীয় চৰকাৰ আৰু এছিয়ান ডেভলপমেণ্ট বেংক ADBয়ে উদ্যান শস্যৰ সৈতে জড়িত খেতিয়কসকলৰ বাবে ৯ কোটি ৮০ লাখ ডলাৰৰ ঋণ বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিছে। এই চুক্তিয়ে কৃষকসকলক ৰোগমুক্ত, প্ৰমাণিত

গছ পুলি ৰোপন সামগ্ৰী প্ৰদান কৰা হ'ব আৰু তেওঁলোকৰ কৃষিজাত সামগ্ৰীৰ উৎপাদকতা, গুণগতমান আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱৰ সৈতে মোকাবিলা কৰাত সহায় কৰিব। অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ যুটীয়া সচিব জুহি মুখাৰ্জী আৰু এছিয়ান ডেভলপমেণ্ট বেংকৰ ইণ্ডিয়া ৰেচিডেণ্ট মিছনৰ দায়িত্বত থকা বিষয়া কাই ৱেই য়েঅ'ই এই চুক্তিত স্বাক্ষৰ কৰিছে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমুখাৰ্জীয়ে কয়, যে এছিয়ান ডেভলপমেণ্টৰ পুঁজিয়ে কৃষকৰ উৎপাদনশীলতা বৃদ্ধিত সহায় কৰিব।

০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱ এদিনীয়া ভ্ৰমণসূচীৰে আজি গুজৰাটলৈ যাব। মন্ত্ৰীগৰাকীয়ে চুৰাটৰ কিমত বুলেট ৰে'লপথ আন্তগাঁথনিৰ সা-সুবিধাসমূহ পৰিদৰ্শন কৰিব। তেওঁ লগতে বডোডৰাৰ প্লেচাৰ ইণ্ডিয়া ফেক্টৰীও পৰিদৰ্শন কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বডোডৰাত থকা গতিশক্তি বিশ্ববিদ্যালয়ৰ দ্বিতীয় সমাৱৰ্তন সমাৰোহতো অংশগ্ৰহণ কৰাৰ কথা আছে। অনুষ্ঠানত গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলো উপস্থিত থাকিব। আমাৰ সংবাদদাতাই জনোৱা মতে, আজিৰ এই সমাৱৰ্তন সমাৰোহত মুঠ ২৩৯ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী-ডিপ্লমা প্ৰদান কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় চৰকাৰে কয়, যে গোলকীয় টীকাকৰণ কাৰ্যসূচী চমুকৈ ইউ আই পিৰ অধীনত প্ৰায় ৭ কোটি ৪৩ লাখ হিতাধিকাৰীয়ে পঞ্জীয়ন কৰিছে। এই কাৰ্যসূচীৰ জৰিয়তে গৰ্ভৱতী মহিলা আৰু জন্মৰ পৰা ১৬ বছৰ বয়সৰ ল'ৰা-ছোৱালীক টীকাকৰণৰ জৰিয়তে প্ৰতিৰোধ কৰিব পৰা ১২ বিধ বেমাৰৰ জীৱন দায়িনী টীকা প্ৰদান কৰা হ'ব। লোকসভাত কালি দিয়া এটা লিখিত উত্তৰত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যমন্ত্ৰী অনুপ্ৰিয়া পেটেলে কয়, যে প'ৰ্টেলত উল্লেখ কৰা অনুসৰি ইয়াৰ ভিতৰত ১ কোটি ২৬ লাখ টীকাকৰণ সত্ৰৰ আয়োজন কৰা হৈছে আৰু প্ৰায় ২৭ কোটি ৭৭ লাখ টীকা প্ৰদান কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে নাগৰিক আৰু টীকা প্ৰদান কৰা লোকসকলৰ বাবে মোবাইল এপ' উপলব্ধ থকা ইউ উইন ডিজিটেল মঞ্চই জনসাধাৰণৰ মাজত টীকাকৰণ সন্দৰ্ভত সজাগতা যথেষ্ট বৃদ্ধি কৰিছে। তেওঁ কয়, যে এই কাৰ্যসূচীৰ জৰিয়তে প্ৰতি বছৰে ২ কোটি ৯ লাখ গৰ্ভৱতী মহিলা আৰু ২ কোটি ৬ লাখ নৱজাতকক সামৰি লোৱাৰ লক্ষ্য লোৱা হৈছে।

০০০০০

ডুবাইত হ'বলগীয়া ১৯ বছৰ অনুৰ্দ্ধৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ প্ৰথমখন খেলত আজি ভাৰতে পাকিস্তানৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি খেলখন দিনৰ চাৰে ১০ বজাত আৰম্ভ হ'ব। মহম্মদ অমন নেতৃত্বাধীন ভাৰতীয় পুৰুষ দলটোৱে প্ৰতিযোগিতাত সুন্দৰ আৰম্ভণি কৰাৰ প্ৰয়াস কৰিব। শ্বাৰজাহত আজি হ'বলগীয়া গ্ৰুপ এ-ৰ দ্বিতীয়খন খেলত সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰই জাপানৰ বিৰুদ্ধে খেলিব। ভাৰত, পাকিস্তান, সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ আৰু জাপানক গ্ৰুপ এ-ত স্থান দিয়া হৈছে। আনহাতে শ্ৰীলংকা, বাংলাদেশ, আফগানিস্তান আৰু নেপালক প্ৰতিযোগিতাৰ বি গ্ৰুত অন্তৰ্ভুক্ত হৈছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে অহা ৫ ডিচেম্বৰ বৃহস্পতিবাৰে বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। ২১ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ স্নাতক প্ৰাৰ্থীয়ে এই সাক্ষাৎকাৰত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰাৰ্থীৰ কম্পিউটাৰ

বিষয়ক সম্যক জ্ঞান, আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠান সম্পৰ্কীয় সাধাৰণ জ্ঞান থকাৰ লগতে কণ্ঠ বাণীবন্ধন আৰু সম্পাদনাৰ জ্ঞান থাকিব লাগিব। প্ৰাৰ্থী গুৱাহাটী মহানগৰীৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা হ'ব লাগিব। SOCIAL MEDIA অৰ্থাৎ সামাজিক মাধ্যমত কাম কৰাৰ অভিজ্ঞতা থকা প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব। এই বিষয়ে বিশদ জানিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৱেবছাইট www.newsonair.gov.in আৰু আকাশবাণীৰ জাননী ফলক চাব পাৰে।

ooooo

**সমাপ্ত**